**প্ৰবীণা শইকীয়া ঃ**

চুটি গল্প আৰু উপন্যাস — এই দুয়োটা দিশতে সমানে পাৰদৰ্শিতা প্ৰদৰ্শন কৰি পৰা কম সংখ্যক লেখিকা কেইগৰাকীৰ ভিতৰত প্ৰবীণা শইকীয়াৰ নাম বিশেষভাৱে ল'ব লাগিব।[২০২] প্ৰবীণা শইকীয়াই উপন্যাসৰ সমানে গল্পৰ দিশতো যথেষ্ট অৰিহ আগবঢ়াইছে আৰু দুয়োটা দিশতে সমানে পাৰদৰ্শিতা দেখুৱাইছে। প্ৰবীণা শইকীয়া গল্পৰ মাজেদি একোটা পৰিপূৰ্ণ কাহিনী পোৱা যায়। অৱশ্যে এই কাহিনী শিথিলকৈ নহয়। উদাহৰণ স্বৰূপে, 'ববচা বন', সাৰথি, নদী, ঋণ আদি গল্পলৈকে আঙুলিয় পাবি। সেইদৰে জনাৰ্দন আশ্চাৰ্য, কৰব কাহেৰি হাৰ, মৰুতীৰ্থ, দাহ, ছবি আ

গল্পতো একোটা পৰিপূৰ্ণ কাহিনী নিৰ্মাণ কৰা হৈছে।

প্ৰবীণা শইকীয়াৰ গল্পৰ কাহিনী গ্ৰন্থন কৌশলৰ মাজেদিয়ে লেখিকাগৰাকীৰ দক্ষতাৰ উমান পাব পাৰি। নাটকীয় একোটা পৰিস্থিতি সৃষ্টি কৰি কাহিনী নিৰ্মাণ কৰিব পৰা সৃষ্টি ক্ষমতাৰ বাবেই প্ৰবীণা শইকীয়াৰ গল্পৰ কাহিনীয়ে পাঠকক আমোদ দিয়ে। অৱশ্যে দুই এটা গল্পৰ কাহিনীক অনাৱশ্যকভাৱে বহলাই নিয়াৰ ফলত গল্পই শিল্প গুণ হেৰুৱাই পেলোৱাও দেখা যায়। এই ক্ষেত্ৰত ববচা বন গল্পটোৰ কথা ক'বই লাগিব। ববচা বন গল্পত বৰ্ণনা বাহুল্যই গল্পটোৰ সৌন্দৰ্য বহু পৰিমাণে কমালে আৰু বৰ্ণনা বাহুল্যৰ বাবেই গল্পটোৰ বক্তব্য যিদৰে অস্পষ্ট হৈ ৰ'ল; সেইদৰে ৰসসৃষ্টিৰ দিশতো বৰ্ণনা-বাহুল্যই বহু পৰিমাণে বাধা দান কৰিলে। ঠিক সেইদৰে নদী গল্পটোৰ কাহিনীও উপন্যাসিকাৰ কাহিনীৰ দৰে দীঘলীয়া। নদী গল্পৰ কাহিনীৰ দুটা স্তৰ। প্ৰথমটো স্তৰত সাদৰী চলিহা প্ৰমুখ্যে ছাত্ৰীসকলে বানপীড়িত ৰাইজক সাহায্য দিবলৈ যি এক যন্ত্ৰণাময় পৰিস্থিতিৰ মুখামুখি হৈছিল সেই পৰিস্থিতিৰ মৰ্মন্তুদ বৰ্ণনা অতি হৃদয়স্পৰ্শী হৈছে। পানীবনীয়া ৰাইজক সাহায্য দিবলৈ যাওঁতেই সাদৰী চলিহাই নুমলী হাজৰিকাৰ দৰে বিধবাক লগ পায়। নুমলী হাজৰিকাৰ দৰে দৰিদ্ৰ আৰু যন্ত্ৰণাকাতৰ তিৰোতাৰ জীৱন কাহিনী বৰ্ণনাতে নদী গল্পটো শেষ কৰিব পৰা গ'লহেঁতেন। কিন্তু অনাৱশ্যকভাৱে গল্পটোৰ কাহিনীৰ জেৰ টানি পিছৰ অংশ বৰ্ণনা কৰা হ'ল আৰু এই পিছৰ অংশই গল্পটোক চুটি গল্পৰ পৰা আঁতৰাই আনি উপন্যাসিকাৰ ওচৰ চপাই আনিলে।

নদী গল্পৰ পিছৰ অংশৰ ঘটনা পোন্ধৰ বছৰৰ পিছৰ। সাদৰী চলিহা ছাত্ৰীহৈ থাকোতেই লগৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে গাঁৱৰ পানীবনীয়া ৰাইজক সাহায্য দিবলৈ যাওঁতে নুমলী হাজৰিকাক পাইছিল আৰু সেই সাদৰী চলিহাই এম. এ. পাছ কৰি কলেজৰ অধ্যাপিকা হোৱাৰ পিছত সাধাৰণ নিৰ্বাচনত প্ৰিজাইডিং অফিচাৰ হৈ সেই একেখন অঞ্চলকে যাব লগা হোৱাত নুমলী হাজৰিকাক লগ কৰে। গল্পটোত উল্লেখ কৰা অনুসৰি এই দুয়োটা ঘটনাৰ সময়ৰ ব্যৱধান পোন্ধৰ বছৰ।

সি যি নহওক — এই দুটা স্তৰৰ কাহিনীৰ গল্পটোৰ পিছৰ অংশৰ বৈচিত্ৰ্য থাকিলেও চুটি গল্প হিচাপে পিছৰ অংশৰ প্ৰয়োজনীয়তা নাছিল। এই দুয়োটা স্তৰৰ কাহিনীৰ মাজেদি নুমলী হাজৰিকাৰ ৰবজনাক বিশ্বেশ্বৰ হাজৰিকাৰ চৰিত্ৰৰ যি বিৱৰ্তন দেখুওৱা হৈছে; চৰিত্ৰৰ তেনে বিৱৰ্তন চুটি গল্পত সাধাৰণতে সম্ভৱ নহয়। কাৰণ চুটিগল্পত চৰিত্ৰ প্ৰকাশহে হয়; বিকাশৰ থল চুটিগল্পত সাধাৰণতে নাথাকে।[২০৩] চুটি গল্পত চৰিত্ৰক অতি কম সময়ৰ বাবেহে লগ পোৱা যায়; গতিকে চৰিত্ৰই নিজৰ বিচিত্ৰৰূপ অথবা পৰিৱৰ্তন প্ৰদৰ্শন কৰাৰ সুবিধা নাপায়।[২০৪] প্ৰবীণা শইকীয়াৰ নদী গল্পত বিশ্বেশ্বৰ

Scanned with CamScanner

হাজৰিকা, নুমলী হাজৰিকা আৰু সাদৰী চলিহা আদি চৰিত্ৰই বিৱৰ্তিত ৰূপ একোটা দাঙি ধৰা দেখা যায়। কাহিনীৰ বিস্তৃতিৰ বাবেই এনে হ'বলৈ পাইছে আৰু খুব সম্ভৱ উপন্যাস লেখাৰ বাবেই হয়তো গল্পলেখিকা প্ৰবীণা শইকীয়াক সময়ে সময়ে আৰু সঘনে বৰ্ণনাবাহুল্যৰ প্ৰৱণতাই আমনি কৰে। এনে কাৰণতে প্ৰবীণা শইকীয়াৰ প্ৰায়বোৰ গল্পকে কম বেছি পৰিমাণে বৰ্ণনা বাহুল্য অথবা অতিকথনৰ দোষে চুইছে।

প্ৰবীণা শইকীয়াৰ গল্পত কাহিনীকথনত যিদৰে সংযমহীনতা দেখা যায়; সেইদৰে তাৰ বিপৰীতে কিছুমান পৰিস্থিতিক সূক্ষ্মভাৱে বিশ্লেষণ কৰি একোটা গতিধৰ্মী কাহিনী নিৰ্মাণ কৰিব পৰা কুশলতাও লক্ষ্য কৰা যায়। এনে কুশলী হাতৰ পৰশ লগা গল্প হ'ল — **বৰষুণ**। পুৰুষ চৰিত্ৰ সঞ্জয় আৰু নাৰী চৰিত্ৰ মলয়াৰ মানসিক ভাব চিন্তাৰ ক্ৰিয়া প্ৰতিক্ৰিয়া বঞ্চিত কিছুমান পৰিস্থিতিৰ বৰ্ণনাৰে গল্পটোৰ কাহিনী ৰচনা কৰা হৈছে। সেইদৰে ৰাজকন্যা গল্পৰ সোণেশ্বৰ আৰু সুৰেন নামৰ চৰিত্ৰ দুটাৰ মানসিক ক্ৰিয়া প্ৰতিক্ৰিয়াৰ দ্বাৰা নিৰ্মাণ কৰা কেতবোৰ পৰিস্থিতিৰ গাঁথনিৰে গল্পটোৰ কাহিনী গঢ়ি তোলা হৈছে। প্ৰবীণা শইকীয়াৰ গল্প কাহিনীপ্ৰধান যদিও লেখিকাগৰাকীৰ কাহিনী নিৰ্মাণ কৰিব পৰা দক্ষতা আছে বাবেই প্ৰবীণা শইকীয়াৰ গল্পৰ কাহিনীয়ে পাঠকৰ প্ৰহৰী মনক ভুলাই ৰাখিব পাৰে।

প্ৰবীণা শইকীয়াৰ গল্পত সমাজ সংস্কাৰকামী দৃষ্টিভংগী এটাও লক্ষ্য কৰা যায়। এই বিষয়ত **সাৰথি** গল্পটো উল্লেখযোগ্য। সাৰথি গল্পত সামাজিক সংস্কাৰৰ ছদ্মবেশত কুসংস্কাৰৰূপে সমাজত চলি থকা কছুমান ৰীতি নীতিৰ প্ৰতি লেখিকা গৰাকীয়ে সংস্কাৰকামী দৃষ্টিপাত কৰা দেখা গৈছে। ভগীৰথ শৰ্মা বৃদ্ধ মানুহ আৰু তেওঁৰ বোৱাৰীয়েক নতুন যুগৰ নাৰী। কিন্তু নতুন যুগৰ নাৰী হ'লেও শৰ্মাৰ বোৱাৰীয়েকে নিজৰ সন্তানৰ বিদ্যাৰম্ভৰ দিনটো পৰম্পৰা অনুসৰি পালন কৰিবলৈ লোৱাত শহুৰেক ভগীৰথ শৰ্মাই বিদ্যাৰম্ভৰ দৰে অনুষ্ঠানবোৰৰ অন্তঃসাৰশূন্যতাক বুজাই দিছে। সেইদৰে ভগীৰথ শৰ্মাৰ নাতিয়েকৰ নামকৰণ পাৰ্থসাৰথি হ'ব নে কেৱল সাৰথি হে হ'ব — তাৰো মনোজ্ঞ ব্যাখ্যা আগবঢ়োৱা হৈছে। সংক্ষেপে ক'বলৈ গলে, ভাৱ-বস্তুৰ স্পষ্টতা, চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশ আৰু কাহিনী বিন্যাসৰ কৌশল আদি আঙ্গিকগত গুণৰ দিশত প্ৰবীণা শইকীয়াৰ সাৰথি গল্পটো সাৰ্থক সৃষ্টি। বৰ্ণনা বাহুল্য অথবা অতিকথনৰ দোষ থাকিলেও প্ৰবীণা শইকীয়াৰ গল্পই পাঠকক আমোদ দিবলৈ সক্ষম হোৱাৰ মূলতে গল্পৰ কাহিনীৰ পৰিপূৰ্ণতা গুণৰ কথাই কব লাগিব। পৰিণতিমুখী উৎকন্ঠা সৃষ্টিৰে কাহিনী বিন্যাস কৰিব পৰা গুণৰ বাবেই প্ৰবীণা শইকীয়াৰ গল্পই পাঠকৰ হৃদয় ছুই যায়। সেইদৰে চৰিত্ৰৰ গভীৰতালৈ সোমাই গৈ চৰিত্ৰৰ মনোজগতক পোহৰলৈ আনিব পৰা গুণৰ দিশতো প্ৰবীণা শইকীয়াৰ গল্পই বহুখিনি সফলতা আৰ্জন কৰিবলৈ সক্ষম হৈছে।

Scanned with CamScanner